**অসম চৰকাৰ**

**উপায়ুক্তৰ কাৰ্য্যালয় ::: শোণিতপুৰ ::: তেজপুৰ**

**(পঞ্জীয়ন কাননগোহ শাখা)**

## জাননী

ইয়াৰ দ্বাৰা সকলো পৰীক্ষাৰ্থীকে জনোৱা হয় যে, ২০২০-২১ বৰ্ষৰ "Recorders' Certificate Class Course (RCCC) Training" ৰ লিখিত বাছনি পৰীক্ষা অহা ইংৰাজী ২০-১২-২০২০ তাৰিখ (ৰবিবাৰে) পূৰ্বে নিৰ্ধাৰিত সময়সূচী (পুৱা ১০.০০ বজাৰ পৰা দিনৰ ১.০০ বজালৈ) আৰু পূৰ্বৰ নিৰ্ধাৰিত পৰীক্ষা কেন্দ্ৰ সমূহতে অনুষ্ঠিত হব।

উল্লখযোগ্য যে, অসম চৰকাৰৰ ভূমিলেখ্য ও জৰীপ অধিৰ্কত্তা, অসম, ৰূপনগৰ, গুৱাহাটী-৩২ DLR/RCCC-137/Advertisement/2019/57 dtd. 27/01/2020 ৰ বিজ্ঞাপন মৰ্মে যোৱা ইং ২২-০৩-২০২০ তাৰিখে অনুষ্ঠিত হবলগীয়া উক্ত লিখিত বাছনি পৰীক্ষা COVID -19 ৰ কাৰণে স্থগিত কৰিবলগীয়া হৈছিল। গতিকে, যি সকল পৰীক্ষাৰ্থীয়ে যোৱা ইং ২২-০৩-২০২০ তাৰিখে হবলগীয়া পৰীক্ষাৰ বাবে প্ৰৱেশ পত্ৰ (Admit Card) লাভ কৰিছিল তেখেত সকলে অহা ইং ২০-১২-২০২০ ( ৰবিবাৰ ) তাৰিখে অনুষ্ঠিত হবলগীয়া উক্ত লিখিত বাছনি পৰীক্ষাত একেখন প্ৰবেশ পত্ৰ (Admit Card) ৰ দ্বাৰাই পৰীক্ষাকেন্দ্ৰত অৱতীৰ্ণ হবলৈ ইয়াৰ দ্বাৰাই জাননী জাৰি কৰা হল।

অন্যহাতে, যিসকল পৰীক্ষাৰ্থীয়ে পূৰ্বতে প্ৰৱেশ পত্ৰ (Admit Card) লাভ কৰা নাছিল তেখেতসকলক শোণিতপুৰ জিলাৰ উপায়ুক্ত কাৰ্য্যালয়ৰ পঞ্জীয়ক কাননগোহ (RKG Branch) শাখাৰ পৰা অহা ইং ১৭-১২-২০২০ তাৰিখৰ ভিতৰত কাৰ্য্যালয় চলি থকা সময়ত সংগ্ৰহ কৰিবলৈ জনোৱা হল।

পৰীক্ষাৰ্থীসকলে পৰীক্ষাত অৱতীৰ্ণ হবলৈ সামাজিক দূৰত্ব বজাই ৰখা আৰু **মাস্ক** পৰিধান কৰাতো বাধ্যতামূলক।

**উপায়ুক্ত**
**শোণিতপুৰ, তেজপুৰ**

স্মাৰক নং এচ.আৰ.কে.-২২১/আৰ.চি.চি.-টি.আৰ.জি.-২০২০/২০২০/৩৪০(ক) তাং: ১০/১২/২০২০

ইয়াৰ প্ৰতিলিপি-

১) ভূমিলেখ্য ও জৰীপ অধিৰ্কত্তা, অসম, ৰূপনগৰ, গুৱাহাটী-৩২ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল।

২) যুটীয়া সচিব, ৰাজহ ও দুৰ্য্যোগ ব্যৱস্হাপনা বিভাগ, গুৱাহাটী জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল।

৩) সকলো অতিৰিক্ত উপায়ুক্ত, শোণিতপুৰ , তেজপুৰ জ্ঞাতাৰ্থে ও বিহীত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হল।

৪) সকলো সহকাৰী আয়ুক্ত, উপায়ুক্ত কাৰ্য্যালয়, শোণিতপুৰ , তেজপুৰ জ্ঞাতাৰ্থে ও বিহীত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হল।

৫) সকলো ৰাজহ চক্ৰ বিষয়া, শোণিতপুৰে নিজৰ কাৰ্য্যালয়ৰ জাননী ফলকত আঁৰি দিয়াৰ লগতে জাননীখন বহুল প্ৰচাৰৰ ব্যৱস্থাৰ্থে জনোৱা হল।

৬) সকলো খণ্ড উন্নয়ণ বিষয়া, শোণিতপুৰে নিজৰ কাৰ্য্যালয়ৰ জাননী ফলকত আঁৰি দিয়াৰ লগতে জাননীখন বহুল প্ৰচাৰৰ ব্যৱস্থাৰ্থে জনোৱা হল।

৭) জিলা তথ্য ও প্ৰযুক্তি বিষয়া (NIC), শোণিতপুৰ, তেজপুৰ। তেখেতক এই জাননীখন শোণিতপুৰ জিলাৰ website ৰ জৰিয়তে বহুল প্ৰচাৰৰ ব্যৱস্থাৰ্থে জনোৱা হল।

৮) জিলা তথ্য ও জনসংযোগ বিষয়া (DIPRO), শোণিতপুৰ, তেজপুৰ। তেখেতক উক্ত জাননীখন ১) অসমীয়া প্ৰতিদিন ২) নিয়মীয়া বাৰ্তা ৩) The Assam Tribune আৰু শোণিতপুৰ জিলাৰ জিলা প্ৰশাসনৰ সামাজিক মাধ্যম ( District Facebook Page)ৰ যোগেদি বহুল প্ৰচাৰৰ বাবে কাৰ্য্যকৰী ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হল।

৯) ৰাজহ চিৰস্তাদাৰ, উপায়ুক্ত কাৰ্য্যালয়, শোণিতপুৰ, তেজপুৰ জ্ঞাতাৰ্থে ও বিহীত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হল।

১০) নাজিৰ উপায়ুক্ত কাৰ্য্যালয় শোণিতপুৰ , তেজপুৰ। তেখেতক উক্ত জাননী খন সকলোকে তাৎক্ষণিক ভাবে জাৰি কৰি প্ৰতিবেদন দাখিল কৰিবলৈ জনোৱা হল।

১১) উপায়ুক্ত কাৰ্য্যালয়, শোণিতপুৰ, তেজপুৰৰ জাননী ফলক।

১২) কাৰ্য্যালয়ৰ নথী।

**উপায়ুক্ত**
**শোণিতপুৰ, তেজপুৰ**